**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-01-2026 **Time :** 1205 Hrs.

oooooo

১। অসমৰ হেঁপাহৰ ভোগালী বিহুৰ আজি উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ উদ্দীপনাৰে উৰুকাৰ আয়োজন।

২। বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ আজি পুৰা দেহাৱসান।

৩। কাছাৰ আৰু শ্ৰীভূমি জিলাত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

**আৰু**

৪। গুৱাহাটীত ২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আদৰাৰ বাবে বিশেষ অনুষ্ঠান।

oooooo

অসমৰ বাপতি সাহোন ভোগালী বিহুৰ আজি উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ উদ্দীপনাৰে উৰুকাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। হেঁপাহৰ ভোগালীৰ উচাহত অতিথি আপ্যায়নৰ বাবে অসমীয়া ৰাইজে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ভোগালী বিহু অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য ধৰোহৰ বুলি ৰাজ্যপালগৰাকীয়ে অসমবাসীলৈ আগবঢ়োৱা মন্তব্যত উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ভোগৰ উৎসৱ উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই উৎসৱ কৃষকৰ সমৃদ্ধি আৰু জাতীয় ঐক্যৰ প্ৰতীক স্বৰূপ বুলি মন্তব্য কৰে। উৰুকা উপলক্ষে ৰাজ্যৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, বিধায়ক ড০ পৰমানন্দ ৰাজবংশী তথা গৰুখুটি বহুমুখী কৃষি প্ৰকল্প, দৰং জিলা পৰিষদ আৰু শিঙিমাৰী অঞ্চলৰ প্ৰতিনধিসকলে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ভোগালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে।

গুৱাহাটী মহানগৰীৰ উজান বজাৰত উৰুকা উপলক্ষে মাছৰ বজাৰত আজি পুৱতি নিশাৰ পৰা ক্ৰেতাৰ ভিৰ পৰিলক্ষিত কৰা হয়। একেদৰে, মহানগৰীৰ কলংপাৰ, বেলতলা, বামুণীমৈদাম, গণেশগুৰিৰ দৰে অন্যান্য বজাৰসমূহতো উৰুকাৰ লগভাতৰ যোগাৰ কৰিবলৈ ক্ৰেতা আৰু বিক্ৰেতাৰ বিপুল সমাগম হোৱা দেখিবলৈ পোৱা যায়।

ডিব্ৰুগড় জিলাতো ভোগালী বিহুৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ চৌকিদিঙিত আজি উৰুকা উপলক্ষে স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনে উপস্থিত হৈ ৰাজ্যবাসীক ভোগালী বিহুৰ ওলগ জনোৱাৰ লগতে এফাকি বিহু গাই বিহুৰ শুভেচ্ছা জনায়।

নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি ডাকগঘাট যমুনা জলাহ বিলত পুৱাৰ ভাগতে মৎস্য চিকাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলাখনৰ জাকৰুৱা বিলত সহস্ৰাধিক লোকে মৎস্য চিকাৰত অংশগ্ৰহণ কৰিছে।

শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰ অঞ্চলত থকা জেৰেঙা পথাৰৰ বিলসমূহৰ লগতে ভটিয়াপাৰাৰ বিলসমূহৰ পাৰত আজি পুৱাৰে পৰা মাছ ক্ৰয় কৰিবলৈ যথেষ্ট সংখ্যক লোক উপস্থিত হয়।

গোৱালপাৰা আৰু ধুবুৰী জিলাতো বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে উলহ মালহেৰে উৰুকা পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীক উৎসাহ উদ্দীপনাৰ মাজতে পথ সুৰক্ষা সন্দৰ্ভত সতকৰ্তা বজাই ৰাখিবলৈ আহ্বান জনাই অসম চৰকাৰৰ পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে এইদৰে কয়-

**-বাইট-(গৌতম দাস)**

রাজ্যবাসীক এই সন্দৰ্ভত সজাগ কৰিবলৈ কামৰূপ মহানগৰ পথ সুৰক্ষা সমিতিৰ সৌজন্যত অসম চৰকাৰৰ পৰিবহন বিভাগৰ কামৰূপ জিলা কাৰ্যালয়ে উজান বজাৰৰ মাছৰ ঘাটৰ সমীপত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে।

oooooo

ভোগালীৰ উছাহৰ মাজতে ৰাজ্যবাসীলৈ শোকৰ বাৰ্তা কঢ়িয়াই বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ আজি পুৱা ৮ বাজি ৪৫ মিনিটত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি নিউমোনিয়া ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীয়ে নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৬০ চনত সংগীতৰ ক্ষেত্ৰতখনত প্ৰৱেশ কৰা প্ৰয়াত হাজৰিকাৰ ১৯৬৮ চনত প্ৰথমখন এলবাম প্ৰকাশ পাইছিল। উত্তৰ কোঁৱৰ প্ৰতিমা বৰুৱা দেৱী নামৰ প্ৰথম এলবামৰ পাছত তেওঁ প্ৰভাতী পখীৰ গান, উপপথ, বোৱাৰী ইত্যাদি ছবিত কণ্ঠদান কৰে। তেওঁ বহু একক আৰু দ্বৈত এলবামতো কণ্ঠদান কৰিছিল। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কনিষ্ঠ ভাতৃ বিশিষ্ট শিল্পীগৰাকীৰ শেষকৃত্য নৱগ্ৰহ শ্মশান ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি পৰিয়ালে জানিবলৈ দিছে। ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হাজৰিকাৰ মৃত্যুত ৰাজ্যৰ সাংস্কৃতিক মহলত শোকৰ ছাঁ পৰিছে। শিল্পীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই গভীৰ শোক প্ৰকাশ কৰিছে।

oooooo

এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰ জিলাৰ শিলচৰত সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালক সাক্ষাৎ কৰে। ড০ শৰ্মাই প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সাক্ষাৎকাৰৰ পাছত অতিব কৰ্মপৰায়ণ প্ৰয়াত মন্ত্ৰীগৰাকী অসমৰ ৰাজনীতিৰ এজন মহীৰূহ আছিল বুলি সাংবাদিকৰ আগত ড০ শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে অসমত বিজেপিৰ অন্যতম হোতা কবীন্দ্ৰ পুৰকায়স্থৰ মৃত্যুত ভাৰতীয় জনতা পাৰ্টীৰ সকলো কৰ্মী শোকত ভাগি পৰিছে। অনাগত সময়ত তেওঁৰ আদৰ্শ ভাৰতীয় জনতা পাৰ্টীয়ে অনুসৰণ কৰি যাব বুলি মুখ্যন্ত্ৰীয়ে কয়।

বৰাক উপত্যকা ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা আঁচনিৰ অধীনত কাছাৰ আৰু শ্ৰীভূমি জিলাত মহিলা হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত হোৱা কাৰ্যসূচীত ১৪হাজাৰ ১৩৫গৰাকী মহিলাক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ পাছত কাটিগড়া বিধানসভা সমষ্টিৰ ৰাজপুৰ খেলপথাৰত আৰু বৰখলা বিধানসভা সমষ্টিৰ শিলকুৰি খেলপথাৰত মুখ্যমন্ত্ৰীগৰাকীয়ে চেক প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ঠিকাভিত্তিক টে'ট শিক্ষকৰ মৰগীয়া বানচৰ বকেয়া আদায় দিবলৈ নিৰ্দেশ দিছে। সদৌ অসম টে'ট উত্তীৰ্ণ সমাজে দাখিল কৰা গোচৰ এটাৰ শুনানিৰ অন্তত ন্যায়াধীশ ৰবীন ফুকনৰ আদালতে ২০১৯ চনৰ জুলাইৰ পৰা ২০২১ চনৰ ডিচেম্বৰলৈ ৫ শতাংশ মৰগীয়া বানচৰ বকেয়া আৰু ২০২১ৰ জুলাইৰ পৰা ২০২২ চনৰ আগষ্টলৈ ক্ৰমে ১১ আৰু ৩ শতাংশ মৰগীয়া বানচৰ বকেয়া আদায় দিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে শিক্ষকসকলৰ বাবে ২০১৯ চনৰ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ ৫ শতাংশ তথা ২০২১ৰ পহিলা জুলাইৰ পৰা ১১ শতাংশ আৰু ৩ শতাংশৰ লগতে ২০২২ চনৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ৩ শতাংশ মৰগীয়া বানচ আদায় দিছিল। এই বানচ তথা বকেয়া নিয়মীয়া শিক্ষকসকলে লাভ কৰিছিল যদিও ঠিকাভিত্তিক শিক্ষকসকলক ইয়াৰ পৰা বঞ্চিত কৰা হৈছিল, যাৰ বিৰুদ্ধে সদৌ অসম টে'ট উত্তীৰ্ণ সমাজে ন্যায়ালয়ৰ কাষ চাপিছিল।

oooooo

জামুগুৰিহাটৰ ধলাইবিল আৰু নাহৰবাৰীৰ মাজৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত অহা ৬ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক ৰাজ্যিক অধিৱেশনৰ বাবে ব্যাপক প্ৰস্তুতি অব্যাহত আছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহিবলগীয়া ভকতক আদৰিবলৈ জামুগুৰিৰ ৰাইজ সাজু হোৱাৰ লগতে আই-মাতৃসকলে হৰিনামেৰে সমন্বয়

ক্ষেত্ৰখনি মুখৰিত কৰি ৰাখিছে। অলপতে সংঘৰ পদাধিকাৰ ভৰেন্দ্ৰ নাথ ডেকাই অধিৱেশনস্থলীত উপস্থিত হৈ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। প্ৰস্তুতিক লৈ শ্ৰীডেকাই সন্তুষ্টি প্ৰকাশ কৰাৰ উপৰি অধিৱেশনখনি প্ৰতিটো দিশতে সৰ্বাসুন্দৰ হ'ব বুলি উল্লেখ কৰে।

০০০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফি আজি গুৱাহাটীলৈ অনা হ'ব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে বিশ্বকাপৰ ট্ৰফিক আদৰণি জনোৱাৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। লোক কৃষ্টি সংস্কৃতিৰে ফুটবল বিশ্বকাপৰ ট্ৰফিক আদৰণি জনোৱা হ'ব। বিমানবন্দৰৰ পৰা ট্ৰফি পুৰা সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লি ৩ বজাত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিশা ৮ বাজি ১০ মিনিটত এই ট্ৰফি উন্মোচন কৰাৰ কথা। এই কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকিব। ৰাজ্য চৰকাৰে ট্ৰফি চোৱাৰ বাবে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে। লগতে আজি একেখন মঞ্চতে এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হৈছে, য'ত কেইবাগৰাকীও জনপ্ৰিয় শিল্পীয়ে অংশগ্ৰহণ কৰিব। গুৱাহাটী মহানগৰীৰ যান বাহন আৰক্ষীয়ে বৰ্ষাপাৰাত হ'বলগীয়া এই বিশেষ অনুষ্ঠানৰ বাবে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

হাফলং সমষ্টিৰ প্ৰাক্তন বিধায়ক, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া বীৰভদ্ৰ হাগজেৰৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। তেওঁ ২০১৬ চনত ভাৰতীয় জনতা পাৰ্টীৰ টিকটত হাফলং সমষ্টিৰ পৰা বিজয়ী হৈ অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল।

০০০০০০

**সমাপ্ত**